**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-05-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
***--------------------***

১। লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন ওচৰ চাপি অহাৰ লগে লগে সমগ্ৰ দেশতে ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

২। শ্ৰমিক সকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে।

৩। ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া মৌচুমী চক্ৰৱৰ্তীয়ে আজি আকাশবাণী বাতৰি বিভাগৰ সঞ্চালকপ্ৰধান হিচাপে দায়িত্ব গ্ৰহণ কৰে।

৪। দিল্লী আৰক্ষীয়ে ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল আৰু ইয়াৰ কাষৰীয়া এলেকাসমূহৰ কেইবাখনো বিদ্যালয়ত বোমা সংস্থাপন কৰা বুলি অচিনাক্ত লোকে বিয়পোৱা বাৰ্তাটোক ভুৱা বুলি অভিহিত কৰি তদন্ত আৰম্ভ কৰিছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন ওচৰ চাপি অহাৰ লগে লগে সমগ্ৰ দেশতে ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত কৰিছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ বানাছকান্থা আৰু ছাবৰকান্থাত নিৰ্বাচনী সভাত অংশ ল'ব। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে চত্তিশগড়ৰ কোৰ্‌বাত ৰাজহুৱা সভাত ভাষণ দিব। আনফালে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে অসমৰ ধুবুৰীত নিৰ্বাচনী প্ৰচাৰ চলায়। ৰাজস্থানৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা ভজনলালে ঝাৰখণ্ডৰ হাজাৰীবাগত দলীয় প্ৰাৰ্থী মনীষ জয়ছোৱালৰ সমৰ্থনত মনোনয়ন দাখিলৰ কাৰ্যসূচীত ভাগ ল'ব।

০০০০০০

কংগ্ৰেছে লোকসভা নিৰ্বাচনৰ বাবে চাৰিগৰাকী প্ৰাৰ্থীৰ আৰু এখন তালিকা প্ৰকাশ কৰিছে। দলে অভিনয় জগতৰ পৰা ৰাজনীতিত খোজ দিয়া ৰাজ বাববৰক হাৰিয়ানাৰ গুৰগাঁও আসনৰ পৰা আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী আনন্দ শৰ্মাক হিমাচল প্ৰদেশৰ কাংগ্ৰাৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। একেদৰে ছটপাল ৰায়জাদা হিমাচল প্ৰদেশৰ হামিৰপুৰৰ পৰা আৰু ভূষণ পাটিলক মহাৰাষ্ট্ৰৰ মুম্বাই উত্তৰ সংসদীয় সমষ্টিৰ পৰা দলীয় টিকট প্ৰদান কৰা হৈছে। কংগ্ৰেছৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে কালি প্ৰাৰ্থীকেইগৰাকীৰ নাম চূড়ান্ত কৰে।

০০০০০০

শ্ৰমিক সকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হৈছে। আজিৰ এই দিনটো মে' দিৱস হিচাপেও পৰিচিত। অৰ্থনৈতিক আৰু সামাজিক

অধিকাৰ লাভ কৰাৰ বাবে সমগ্ৰ বিশ্বৰ শ্ৰমিক সমাজে স্বীকাৰ কৰি অহা ত্যাগৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

কামৰ সময় দৈনিক ৮ ঘণ্টা নিৰ্ধাৰণৰ দাবীত ১৮৮৬ চনৰ আজিৰ দিনটোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰত অনুষ্ঠিত এখন বিশাল শ্ৰমিক সমাবেশৰ স্মৃতিচাৰণেৰে বিশ্বজুৰি এই দিৱস পালন কৰা হয়। সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পালন কৰা এই শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি আজিৰ দিনটোত শ্ৰমিক সমাবেশ, আলোচনা চক্ৰ, সভা-সমিতি আদিৰ আয়োজন কৰা হয়।

উল্লেখযোগ্য যে এইবেলি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ বিষয়বস্তু হৈছে - **জলবায়ু পৰিৱৰ্তনৰ মাজত কৰ্মক্ষেত্ৰৰ সুৰক্ষা আৰু শ্ৰমিকৰ স্বাস্থ্য সুনিশ্চিত কৰা**। এই বিষয়বস্তুৰ জৰিয়তে শ্ৰমিকসকলৰ সুস্বাস্থ্য তথা নিৰাপত্তাৰ বিষয়টোৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে।

oooooo

ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া মৌচুমী চক্ৰৱৰ্তীয়ে আজি আকাশবাণী বাতৰি বিভাগৰ সঞ্চালকপ্ৰধান হিচাপে দায়িত্ব গ্ৰহণ কৰে। ১৯৯১ বেটছৰ ভাৰতীয় তথ্য সেৱাৰ বিষয়া শ্ৰীমতী চক্ৰৱৰ্তীয়ে প্ৰেছ ইনফৰমেচন ব্যুৰ' আৰু চেণ্ট্ৰেল ব্যুৰ' অৱ কমিউনিকেচনকে ধৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ কেইবাটাও সংবাদ সংস্থাত কাৰ্যনিৰ্বাহ কৰিছিল। তিনিটা দশকৰো অধিক সময়ৰ চাকৰিকালত ইতিপূৰ্বে তেওঁ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগত কেবিনেট মন্ত্ৰীৰ ব্যক্তিগত সচিব হিচাপেও দায়িত্ব পালন কৰে। উল্লেখযোগ্য যে আকাশবাণীৰ বাতৰি বিভাগৰ সঞ্চালক প্ৰধান বসুধা গুপ্তাই কালি অৱসৰ গ্ৰহণ কৰাৰ পাছত ভাৰতীয় তথ্য সেৱাৰ বিষয়া তথা অসমৰ তেজপুৰৰ মৌচুমী চক্ৰৱৰ্তীয়ে আজি দায়িত্ব গ্ৰহণ কৰে।

oooooo

দিল্লী আৰক্ষীয়ে ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল আৰু ইয়াৰ কাষৰীয়া এলেকাসমূহৰ কেইবাখনো বিদ্যালয়ত বোমা সংস্থাপন কৰা বুলি অচিনাক্ত লোকে বিয়পোৱা বাৰ্তাটোক ভুৱা বুলি অভিহিত কৰিছে। এই বিদ্যালয় কেইখনে ই-মেইলৰ জৰিয়তে বাৰ্তাটো লাভ কৰাৰ পাছত সম্প্ৰতি বিষয়টোক লৈ অনুসন্ধান চলি আছে বুলি সদৰি কৰি আৰক্ষীয়ে জানিবলৈ দিয়া মতে এই বাতৰি যুগুতোৱাৰ পৰলৈ আৰক্ষীৰ অভিযানত কোনোধৰণৰ সন্দেহজনক সামগ্ৰী উদ্ধাৰ হোৱা নাই।

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে দিল্লী আৰক্ষী আৰু নিৰাপত্তা সংস্থাসমূহে এই সন্দৰ্ভত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইপিনে দিল্লীৰ উপ ৰাজ্যপাল বিৰাট কুমাৰ ছাক্সেনাই এই সন্দৰ্ভত এটা বিস্তৃত প্ৰতিবেদন দাখিল কৰিবলৈ দিল্লীৰ আৰক্ষী আয়ুক্ত সঞ্জয় আৰোৰাক নিৰ্দেশ দিছে। এই ঘটনাৰ সৈতে জড়িত দুৰ্বৃত্তক সাৰি যাবলৈ দিয়া নহ'ব বুলি উল্লেখ কৰি শ্ৰীছাক্সেনাই অপৰাধীক শীঘ্ৰে চিনাক্ত কৰাৰ লগতে বিষয়টোক লৈ কোনোধৰণৰ ক্ৰুতি-বিচ্যুতি নোহোৱাটো নিশ্চিত কৰিবলৈ দিল্লী আৰক্ষীক নিৰ্দেশ দিয়ে। আনহাতে দিল্লীৰ শিক্ষামন্ত্ৰী আতিশীয়ে জানিবলৈ দিয়া বোমা সংস্থাপনৰ বাৰ্তা লাভ কৰাৰ পাছতেই বিদ্যালয়ৰ চৌহদ খালী কৰি তালাচী অভিযান চলোৱা হয়। এই বাতৰি যুগুতোৱাৰ পৰলৈ কোনো এখন বিদ্যালয়তে কোনে সন্দেহজনক সামগ্ৰী উদ্ধাৰ হোৱা নাই বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, দিল্লী চৰকাৰে আৰক্ষী আৰু বিদ্যালয়সমূহৰ সৈতে সততে যোগাযোগ ৰক্ষা কৰি আছে।

oooooo

লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত অহা ৭ মে'ত দেশৰ ১০ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৯৩ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। পূৰ্বে এইটো পৰ্যায়ত মুঠ ৯৪টা সংসদীয় সমষ্টিৰ বাবে

ভোটগ্ৰহণ কৰাৰ কথা আছিল যদিও মধ্যপ্ৰদেশৰ বেটুল লোকসভা সমষ্টিৰ ভোটগ্ৰহণ দ্বিতীয় পৰ্যায়ৰ পৰা তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হয়। আনহাতে গুজৰাটৰ ছুৰাট সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীজন বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে জম্মু আৰু কাশ্মীৰৰ অনন্তনাগ-ৰাজৌৰী সংসদীয় সমষ্টিৰ ভোটগ্ৰহণৰ তাৰিখৰ সালসলনি ঘটোৱাৰ পৰিপ্ৰেক্ষিতত তৃতীয় পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিৰ সংখ্যা ৯৩ লৈ হ্ৰাস পায়।

এইটো পৰ্যায়ত গুজৰাটৰ ২৫টা, কৰ্ণাটকৰ ১৪টা, মহাৰাষ্ট্ৰ ১১টা আৰু উত্তৰ প্ৰদেশৰ ১০টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। একেদৰে মধ্যপ্ৰদেশৰ ৯টা, চত্তিশগড়ৰ ৭টা, বিহাৰৰ ৫টা, অসম আৰু পশ্চিমবংগ উভয়ৰে ৪টাকৈ আৰু গোৱা, দাদ্ৰা আৰু নগৰ হাৱেলী আৰু দমন আৰু ডিউৰ দুটাকৈ সংসদীয় সমষ্টিৰ বাবেও এইটো পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে, এইটো পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ লগে লগে উত্তৰ পূৰ্বাঞ্চলৰ কেউখন ৰাজ্যকে ধৰি দেশৰ ১৬ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, পুডুচেৰী, লাক্ষাদ্বীপ, দাদ্ৰা আৰু নগৰ হাৱেলী আৰু দমন আৰু ডিউৰ নিৰ্বাচনী প্ৰক্ৰিয়া সামগ্ৰিকভাৱে অন্ত পৰিব।

০০০০০০

নিৰ্বাচন আয়োগে কালি লোকসভা নিৰ্বাচনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ বাবে মুঠ ভোটদানৰ হাৰ জাৰি কৰিছে। আয়োগে প্ৰথম পৰ্যায়ত ৬৬ দশমিক ১-৪ শতাংশ আৰু দ্বিতীয় পৰ্যায়ত ৬৬ দশমিক ৭-১ শতাংশ ভোটদান হোৱা বুলি প্ৰকাশ কৰিছে। আয়োগে কৈছে যে প্ৰথম পৰ্যায়ত ৬৬ দশমিক ২-২ শতাংশ পুৰুষ ভোটদাতা, ৬৬ দশমিক ০-৭ শতাংশ মহিলা ভোটদাতা আৰু ৩১ দশমিক ৩-২ শতাংশ তৃতীয় লিংগৰ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। একেদৰে দ্বিতীয় পৰ্যায়ত ৬৬ দশমিক ৯-৯ শতাংশ পুৰুষ ভোটদাতা, ৬৬ দশমিক ৪-২ শতাংশ মহিলা ভোটদাতা আৰু ২৩ দশমিক ৮-৬ শতাংশ তৃতীয় লিংগৰ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে।

০০০০০০

সমগ্ৰ দেশ গ্ৰীষ্ম প্ৰৱাহত দহিছে বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে এটা বিবৃতিৰ জৰিয়তে প্ৰকাশ কৰিছে। গ্ৰীষ্ম প্ৰৱাহ চলি থকাৰ সময়তে অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, আৰু ত্ৰিপুৰাত পৰৱৰ্তী ৪ দিনত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ আৰু তুষাৰপাত হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে। ইপিনে, ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰই পশ্চিমবংগ, বিহাৰ, ওড়িশা আৰু ঝাৰখণ্ডত প্ৰচণ্ড গ্ৰীষ্ম প্ৰৱাহ অব্যাহত থাকিব পাৰে বুলি বিশেষ সতৰ্কতা জাৰি কৰিছে। তেলেংগানা, কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশ, কেৰালা, তামিলনাডু আৰু পুডুচেৰীতো অহা ৪ দিনলৈ বতৰ গৰম আৰু আদ্ৰ হৈ থাকিব পাৰে বুলি বিভাগটোৱে আগলি বতৰা দিছে। অৱশ্যে এই সময়ছোৱাত মধ্য ভাৰতত তাপমাত্ৰা ২ৰ পৰা ৩ ডিগ্ৰী চেলছিয়াছ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ১৪৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ

কৰি ১৯ অভাৰ আৰু দুটা বলত ছটা উইকেট হেৰুৱাই নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হয়। লক্ষ্ণৌৰ হৈ মাৰ্কাছ ষ্ট'য়নিছে ৪৫টা বলত ৬২ ৰাণ কৰে। ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময় ১৪৪ ৰাণ কৰে। মুম্বাইৰ হৈ নেহাল ৱধেৰাই ৪১টা বলত ৪৬ ৰাণ কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মোহছিন খানে দুটা উইকেট দখল কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ কালিৰ জয়ৰ পাছত প্ৰতিযোগিতাৰ পইণ্ট তালিকাত পঞ্চমৰ পৰা তৃতীয় স্থানলৈ উন্নীত হৈছে। মুম্বাই ইণ্ডিয়ানছ বৰ্তমান নৱম স্থানত আছে।

০০০০০০

সমাপ্ত